(শিশু শিতান)


# প্লুটোৰ বিষয়ে

শ্ৰেষ্ঠা চাংমাই,অষ্টম শ্ৰেণী,বৰহাট জাতীয় বিদ্যালয়,চৰাইদেউ জিলা

বৰ্তমান আমাৰ সৌৰজগতৰ গ্ৰহৰ সংখ্যা আঠটা।পূৰ্বে নৱম স্থানত থকা গ্ৰহ প্লুটোক বৰ্তমান গ্ৰহৰ শাৰীৰ পৰা স্থানচ্যুত কৰা হৈছে। আৰ্ন্তজাতিক জ্যোতিবিজ্ঞানী মহলে ২০০৬ চনত গ্ৰহৰ সংজ্ঞা সংশোধন কৰে।এই সংজ্ঞা অনুসৰি -

ক) গ্ৰহবোৰে কোনো এটা নক্ষত্ৰ অৰ্থাৎ সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰিব লাগিব আৰু ই কোনো গ্ৰহৰ উপগ্ৰহ হব নালাগিব।

খ) গ্ৰহবোৰ নিজা মধ্যাকৰ্ষণ বল আৰু উৰ্দ্ধমুখী বলৰ বাবে সাম্য অৱস্থালৈ আহি গোলাকাৰ হব পৰাকৈ ডাঙৰ আৰু ভৰবিশিষ্ট হব লাগিব।




গ) গ্ৰহবোৰৰ আকাৰ আৰু ভৰ এনে হব লাগিব যে সূৰ্যৰ চাৰিওফালে ঘূৰি থকা কক্ষপথটোৰ ওপৰত বা ওচৰে-পাজৰে আন কোনো জ্যোতিষ্ক থাকিলে সেইবোৰ কক্ষচ্যুত কৰি বা নিজৰ ভিতৰলৈ টানি আনি নিজৰ কক্ষপথত আগুৱাই যাব পাৰিব লাগিব।

প্লুটোয়ে যদিও প্ৰথম দুটা সংজ্ঞা মানি চলে কিন্ত তৃতীয়টো সংজ্ঞা সম্পূৰ্ণৰূপে মানি নচলে অৰ্থাৎ ইয়াৰ ওচৰেৰে কোনো জ্যোতিষ্ক পাৰ হৈ গলে প্লুটোয়ে নিজৰ কক্ষপথ সালসলনি কৰা প্ৰমাণ পোৱা গৈছে।সেইবাবে প্লুটোক গ্ৰহৰ শাৰীৰ পৰা আঁতৰাই বাওনা গ্ৰহৰ শাৰীলৈ নিয়া হ'ল।


বাওনা গ্ৰহ হ'লেও প্লুটো এটা আকৰ্ষণীয় বিষয়।ইয়াৰ একেবাৰে অৰ্ন্তভাগ কঠিন শিলাখণ্ডৰে গঠিত,তাৰ ওপৰত পানীৰ স্তৰ,পানীৰ স্তৰৰ ওপৰত কঠিন বৰফৰ স্তৰ আৰু কঠিন বৰফৰ স্তৰৰ ওপৰত পৃষ্ঠভাগৰ বৰফৰ এটা পাতলীয়া স্তৰ আছে।প্লুটোত মিথেন,কাৰ্বন-ম'ন'ক্সাইড আৰু নাইট্ৰজেনৰ পৰিমাণ বেছি আৰু ইয়াৰ উপৰিভাগ ৰঙা-বাদামীৰঙৰ। ইয়াৰ পাঁচটা উপগ্ৰহ হ'ল ক্ৰমে-ছেৰণ,কাৰবেৰ'জ,নিক্স,হাইড্ৰা আৰু স্টাইস্ক। প্লুটোত পৰ্বত-উপত্যকা,সমতল,খাদ আৰু সম্ভৱতঃ বৰফৰ

নৈও আছে৷ নাছাই প্ৰেৰণ কৰা নিউ হ'ৰাইজ'ন নামৰ যানখনে প্লুটোত থকা মানুহৰ হৃদয় সদৃশ আকৃতিটো ধৰা পেলাইছিল৷

প্লুটোত ঘটি থকা পৰিঘটনাসমূহ-

সূৰ্যৰ পৰা বহু দূৰত অৱস্থিত বাবে প্লুটোৰ উপৰিভাগ অত্যন্ত ঠাণ্ডা আৰু ইয়াৰ উষ্ণতা -২২৬° ৰ পৰা -২৪০° চেলচিয়াছৰ ভিতৰত থাকে,যাৰ ফলত ইয়াৰ উপৰিভাগ বৰফেৰে আবৃত৷নাছাৰ নিউ হ'ৰাইজ'নে পঠোৱা চিত্ৰ বিশ্লেষণ কৰি পোৱা গৈছে যে ইয়াৰ পৃষ্ঠভাগ পানী,নাইট্ৰজেন আৰু মিথেনৰ বৰফেৰে আবৃত্ত৷যিহেতু নাইট্ৰজেনৰ গলনাংক নিচেই কম,গতিকে প্লুটোৰ উপৰিভাগত গলিত অৱস্থাটো বৰফ পোৱাৰ সম্ভাৱনা আছে৷

প্লুটোত পৃথিৱীৰ দৰে জ্বালামুখী আছে কিন্তু এইবোৰ বৰফেৰে নিৰ্মিত আৰু ইয়াৰ পৰা লাভাৰ সলনি পানীহে ওলায়৷যিদৰে পৃথিৱীৰ অন্তৰ্ভাগত থকা মেগমাবোৰে বাহিৰলৈ ওলাবলৈ সুৰুঙা বিচাৰি ফুৰে




ঠিক সেইদৰে প্লুটোৰ অন্তৰ্ভাগৰ পানীবোৰ বাহিৰলৈ ওলাবলৈ সুৰুঙা বিচাৰি ফুৰে৷সুৰুঙা বিচাৰি পালেই পানীবোৰ বাহিৰলৈ ওলাই আহে৷কিন্তু প্লুটোৰ পৃষ্ঠভাগ অত্যন্ত ঠাণ্ডা হোৱাৰ বাবে বাহিৰলৈ ওলোৱা পানীবোৰ বৰফলৈ ৰূপান্তৰিত হয়৷

বিজ্ঞানীসকলে আশংকা কৰিছে যে তৃতীয় গ্ৰহৰ সংজ্ঞাটোত কৰা গাফিলতিৰ বাবে সূদূৰ ভৱিষ্যতে প্লুটো আৰু নেপচুনৰ কক্ষপথৰ কটাকটি হব পাৰে৷তেনেস্থলত এই দুটা গ্ৰহৰ মাজত সংঘৰ্ষৰ সম্ভাৱনা নুই কৰিব নোৱাৰি আৰু এনে পৰিঘটনা সংঘটিত হ'লে সৌৰজগতত এক বৃহৎ সালসলনি হোৱাৰ সম্ভাৱনা থাকিব৷

**********